# পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা (RAP)

## সাৰাংশ

### পাতনি :

অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কার্যক্রম (AIRBMP)ৰ ২ নং উপাদানৰ প্রথম পর্যায়ৰ(Phase 1)অন্তৰ্গত বেঁকী আৰু বুঢ়ীদিহিং নৈৰ উপ-অৱবাহিকাৰ জৰুৰীকালীন কাম-কাজৰ কাৰণে অনুশোচনা বিহীন ব্যয়ৰ পূঁজি ধাৰ্য্য কৰা হৈছে।এই কাম-কাজৰ ভিতৰত মুঠ ৩১.৮২ কি.মি. নদীৰ গৰা-খহনীয়া ৰোধ(AE)(বুঢ়ীদিহিং নদীৰ ১৮.১৫৫ কি.মি. আৰু বেঁকী নদীৰ ১৩.৬৭ কি.মি. ) আৰু ২১ কি.মি. মথাউৰি সবলীকৰণৰ (বুঢ়ীদিহিং নদীৰ ১৭ কি.মি. আৰু বেঁকী নদীৰ ৪ কি.মি.)ৰ কামো অন্তৰ্ভুক্ত কৰা হৈছে। এই পুনৰ্বাসন কার্য যোজনাত ৩১.৮২ কি.মি. নদীৰ খহনীয়া ৰোধ [বুঢ়ীদিহিং নদীৰ ১৮.১৫৫ কি.মি আৰু বেঁকী নদীৰ ১৩.৬৭ কি.মি.] আৰু বুঢ়ীদিহিং নদী ৰ ১৭ কি.মি. মথাউৰি সবলীকৰণ কার্যও অন্তৰ্ভুক্ত হৈছে।

### প্রভাৱঃ

প্ৰস্তাৱিত এই প্ৰকল্পটোৰ কাৰণে মুঠ ১৬০.৪ হেক্টৰ ভূমিৰ প্ৰয়োজন হ'ব । ইয়াৰে ১২২.২১হেক্টৰ চৰকাৰী ভূমি আৰু ৩৮.৩৯ হেক্টৰ ব্যক্তিগত ভূমি। বুঢ়ীদিহিং নদীৰ কার্য্যৰ বাবে ১১৬.৪৩ হেক্টৰ চৰকাৰী ভূমি আৰ ১১.৪১ হেক্টৰ ব্যক্তিগত ভূমিৰ প্ৰয়োজন। সেইদৰে বেঁকী নদীৰ কার্য্যৰ বাবে ৫.৭৮ হেক্টৰ চৰকাৰী ভূমি আৰু ২৬.৯৮ হেক্টৰ ব্যক্তিগত ভূমিৰ প্ৰয়োজন। ইয়াৰ ফলত মুঠ ৫৫৩ টা[বুঢ়ীদিহিঙৰ পাৰৰ ১৯৩ টা আৰু বেঁকীৰ পাৰৰ ৩৬০ টা] পৰিয়াল ক্ষতিগ্ৰস্ত হ'ব। এই ৫৫৩ টা পৰিয়ালৰ ভিতৰত ৪৭৬ টা পৰিয়াল [বুঢ়ীদিহিঙৰ পাৰৰ ১৫২ টা আৰু বেঁকীৰ পাৰৰ ৩২৪ টা]ৰ মাটিৰ ম্যাদিপট্টা আছে আৰু বাকী ৭৭টা পৰিয়াল[বুঢ়ীদিহিঙৰ পাৰৰ ৪১ টা আৰু বেঁকীৰ পাৰৰ ৩৬ টা] পৰিয়াল বেদখলকাৰী।এই কা র্য্যৰ বাবে ১০৩ টা বাসস্থান আৰু অন্যান্য বাসস্থানৰ লগতে বাণিজ্যিক প্রতিস্থান থকা ঘৰ[ইয়াৰে বুঢ়ীদিহিঙৰ পাৰৰ ৪৪ টা আৰু বেঁকীৰ পাৰৰ ৫৯টা] ৰ ওপৰতো প্ৰভাৱ পাৰিব।এই সমূহৰ ভিতৰত ৮৭টা বাসস্থান [৪৪ টা ম্যাদীপট্টা থকা লোকৰ আৰু ৪৩টা বেদখলকাৰীৰ], ২ টা বাসস্থান সংলগ্ন বাণিজ্যিক প্রতিষ্ঠান [১ টা ম্যাদীপট্টা থকা লোকৰ আৰু ১ টা বেদখলকাৰীৰ], ১৩ টা বাণিজ্যিক প্রতিষ্ঠান [১ টা ম্যাদীপট্টা থকা লোকৰ আৰু ১২ টা বেদখলকাৰীৰ] আৰু এ টা গোহালি ক্ষতিগ্ৰস্ত হ'ব। ইয়াৰ বাহিৰেও ৩০ খন উদ্যান শস্যৰ বাৰী [ম্যাদীপট্টা থকা লোকৰ ১০ খন আৰু বেদখলকাৰীৰ ২০ খন] ক্ষতিগ্ৰস্ত হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটো ৰূপায়িত কৰিবলৈ যাওঁতে বুঢ়ীদিহিং অঞ্চলৰ ২০১২ জোপা গছ আৰু বেঁকী অঞ্চলৰ ৯৩৭ জোপা গছ[মুঠ ২,৯৪৯ জোপা] গছ কাটিবলগীয়া হ'ব । ইয়াৰ উপৰিও কুঁহিয়াৰৰ খেতি, বাঁহনি আদি থকা ভূমিকে ধৰি[বুঢ়ীদিহিঙৰ পাৰৰ ১১,৯৭৫ খন আৰু বেঁকীৰ পাৰৰ ৪০,২১৫ খন] মুঠ ৫২,১৯০ খন বাৰীৰ ভূমি ক্ষতিগ্ৰস্ত হ'ব। আনহাতে, ২টা অংগনবাদী কেন্দ্ৰ, ৩টা মছজিদ, ২টা বিদ্যালয় ভৱন, ২খন শ্মশান, ১টা মন্দিৰ আৰু ১খন ঈদগাহ মৈদানকে ধৰি সৰ্বমুঠ ১১ টা ৰাজহুৱা প্ৰতিষ্ঠান [বুঢ়ীদিহিঙৰ পাৰৰ ২ টা আৰু বেঁকীৰ পাৰৰ ৯ টা] এই প্ৰকল্প ৰূপায়নৰ বাবে ক্ষতিগ্ৰস্ত হ'ব।

### পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰ মূল উদ্দেশ্যঃ

পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা[RAP]ৰ মূল উদ্দেশ্য হ'ল ক্ষতিগ্ৰস্ত লোকসকলৰ জীৱন ধাৰণৰ মান দণ্ড উন্নত কৰা। সামাজিক মূল্যাংকণৰ ফলাফল ৰ আধাৰত আৰু অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কার্যক্রম [ AIRBMP]ৰ প্ৰস্তাৱিত পুনঃসংস্থাপন নীতিৰ ভিত্তিৰেখা(RPF)অনুযায়ী আৰ এ পি খনে এই প্ৰকল্পৰ জৰিয়তে গৰা-খহনীয়া আৰু মথাউৰি সবলীকৰণৰ কামৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোক , পৰিয়াল আৰু আৱাসগৃহৰ সংখ্যা নিৰূপণ কৰিছে।

**লোকপিয়ল আৰু অৰ্থ-সামাজিক জৰীপৰ ফলাফলঃ**

লোকপিয়ল জৰীপৰ জৰিয়তে পোৱা ফলাফলসমূহ এনেধৰণৰ–

১] ক্ষতিগ্ৰস্ত এলেকাত গৰিষ্ঠ ৫৮.১% শতাংশ ইছলামধৰ্মী পৰিয়াল আৰু হিন্দু পৰিয়ালৰ সংখ্যা হ'ল ৩৯.৫% শতাংশ। বাকী থকা ২.৪% শতাংশ পৰিয়াল বৌদ্ধ ধৰ্মী।

২] পঞ্চাশ শতাংশতকৈও অধিক[৫২.৩%] পৰিয়াল অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত হোৱাৰ উপৰিও ১০.১% শতাংশ পৰিয়াল অনুসূচিত জনজাতি আৰু ৯.৩% শতাংশ পৰিয়াল অনুসূচিত জাতিৰ অন্তৰ্গত।

৩] জীৱিকাৰ ক্ষেত্ৰত ২৩.৩% শতাংশ পৰিয়ালে অ-শিক্ষিত বনুৱা হিচাপে জীৱিকা অৰ্জন কৰে। তদুপৰি ২৬.৪% শতাংশ পৰিয়াল কৃষি কৰ্মত নিয়োজিত আৰু ১৭.৪% শতাংশ লোক বৃদ্ধাৱস্থা অথবা অৱসৰলৈ ঘৰতে থাকে। আনহাতে ৬.৬% শতাংশ পৰিয়ালে কৃষি আৰু অন্যান্য কৰ্মৰ বনুৱা হিচাপে, ৭.৮% শতাংশ পৰিয়ালে দক্ষ বনুৱা হিচাপে জীৱিকা নিৰ্বাহ কৰে।

৪] জৰীপত প্ৰকাশ পোৱা অনুসৰি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ মাহিলী আয় গড়ে ২৯৬০ [দুই হাজাৰ ন শ ষাঠি] টকা আৰু ২৯.৯% শতাংশ পৰিয়ালেই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে।

৫] সমীক্ষাটোত প্ৰকাশ পোৱা আটাইতকৈ উ দ্বেগজনক তথ্যটোৱেই হ'ল ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ ৪২.২% শতাংশই নিৰক্ষৰ লোক। ইয়াৰ ভিতৰত ৩.৫% শতাংশই অনানুষ্ঠানিক শিক্ষা লাভ কৰিছে। আনহাতে ৩৪.১%শতাংশই নৱম শ্ৰেণীলৈকে আৰু ১০.৯% শতাংশই হাইস্কুল শিক্ষান্ত পৰীক্ষালৈকে অধ্যয়ন কৰিছে।

**আনুস্থানিক আলোচনা**

প্ৰকল্পৰ অন্তৰ্গত গাঁওসমূহত দলগত আলোচনা [ FGDs ) আৰু প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোক( PAPs ) তথা অন্যান্য সম্প্ৰদায়ৰ সদস্যসকলৰ লগত আলোচনা কৰা হৈছিল। তেওঁলোকে আগবঢ়োৱা কিছুমান পৰামৰ্শৰ ভিতৰত অন্যতম হৈছে ক্ষতিগ্ৰস্ত লোকসমূহক( PAPs )বাসস্থানৰ পৰা আঁতৰি যাবলৈ দুমাহৰ আগ জাননী দিব লাগিব।ইয়াৰ বাহিৰেও নিৰ্মাণক্ষেত্ৰৰ নিকটাৱৰ্তী বাসস্থান তথা ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ প্ৰকৃত সুৰক্ষা প্ৰদান কৰা আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক পুনৰ্বাসনৰ জৰিয়তে তেওঁলোকৰ জীৱন ধাৰণৰ স্থিতাৱস্থা ঘূৰাই অনাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

**পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰূপায়নৰ প্ৰক্ৰিয়াঃ**

জিলা উপায়ুক্তই সন্মতি সাপেক্ষে ভূমি অধিগ্ৰহন কৰিব। ভূমিৰ প্ৰকৃত মূল্যৰ সৈতে তিনিগুণ প্ৰাসংগিক কাৰক( ১ ৰ পৰা ২ পৰ্য্যন্ত) আৰু এশ শতাংশ ক্ষতিপূৰণৰে সৈতে ভূমিৰ মূল্য নিৰ্ধাৰণ কৰা হ'ব, যাতে ই বজাৰ মূল্যৰ সমপৰ্যায়ৰ হয়। ইয়াৰ বাহিৰেও জাননী জাৰি কৰাৰ দিনৰে পৰা ১২ শতাংশ বছৰেকীয়া সুত অতিৰিক্তভাৱে যোগ কৰা হ'ব। আকৌ , ভূমি আৰু সম্পত্তি মূল্যৰ সৈতে সংলগ্ন মুঠ ভূমি আৰু ভৱনৰ মূল্য সংলগ্ন কৰি ওপৰঞ্চি ২৫ শতাংশ প্ৰদান কৰা হ'ব। যদি এই নিধাৰ্বিত মূল্যত ভূমিৰ গৰাকী সন্তুষ্ট নহয়, তেতিয়াহ'লে 'ভূমি অধিগ্ৰহণ, পুনৰ্সংস্থাপন, পুনৰ্বাসনৰ কাৰণে নায্য ক্ষতিপূৰণ আৰু স্বচ্চতা প্ৰদান আইন-২০১৩' [ RTCTLARRAct ২০১৩]অনুসৰি সেই ভূমি চৰকাৰে অধিগ্ৰহণ কৰিব পাৰিব। উল্লেখনীয় যে, অকণো মূল্য হ্ৰাস জৰিত নকৰাকৈ মূল্যসূচি [SoR] ত নিৰূপিত মূল্যৰে ঘৰ আদিৰ মূল্য নিৰূপন কৰা হ'ব। পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP]ৰ অধিকাৰ আৰু ব্যৱস্থাৰ নিয়ম অনুযায়ী অসমৰ বানপানী আৰু নদী গ ৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণে [FREMAA] বে-চৰকাৰী সংস্থাৰ ( NGO ) জৰিয়তে যোগ্য প্ৰকল্প ক্ষতিগ্ৰস্ত লোক[ PAP] অথবা প্ৰকল্প ক্ষতিগ্ৰস্ত পৰিয়াল[ PAF]লৈ প্ৰাপ্য ক্ষতিপূৰণ আৰু প্ৰয়োজনীয় সহায় আগবঢ়োৱাটো নিশ্চিত কৰিব। চৰকাৰৰ দ্বাৰা মনোনীত মূল্যায়নকাৰীৰ যোগেদি জিলা পৰ্যায়ৰ ভূমি ক্ৰয় কমিটিয়ে[ DLLPC] ক্ষয় হোৱা সম্পত্তিৰ মূল্য নিৰ্ধাৰণ কৰিব আৰু মূল্য হ্ৰাস নকৰাটো নিশ্চিত কৰিব। অনুপস্থিতিৰ কাৰণে যিসকল ম্যাদী পট্টাধাৰী লোকে ভূমিৰ ক্ষতিপূৰণৰ

সুবিধা লাভ কৰিব পৰা নাই সেইসকল লোকক বে-চৰকাৰী সংস্থাসমূহে চিনাক্ত কৰাৰ ক্ষেত্ৰত আগভাগ ল'ব। তদুপৰি যদি কোনো প্ৰকল্পৰ ভূমি লোক পিয়লৰ জ ৰীপৰ ভিত্তি অনুসৰি কোনোৰে দখল কৰাৰ আগতেই ক্ষয়প্ৰাপ্ত বুলি নথিভুক্ত হয়, তেনেহ'লে অসমৰ বানপানী আৰু নদী গ ৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণে[FREMAA]'RGR.785/2014/91 dated 06/01/2021 জাননী মৰ্মে প্ৰচলিত খহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালৰ পুনঃসংস্থাপন নীতি, অসম ২০২০' ৰ বিধান অনুসৰি, যোগ্য পৰিয়ালবোৰক আৰ্থিক সহায় প্ৰদান কৰিব। আনহাতে,পট্টাহীন পৰিয়ালবোৰক তেওঁলোকৰ সম্পত্তি আৰু পোহনীয়া জীৱ-জন্তুৰ ক্ষতিৰ কাৰণে প্ৰকল্পৰ পুঁজিৰ পৰা ক্ষতিপূৰণ দিয়া হ'ব আৰু প্ৰস্তাৱিত ভূমিত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰাৰ আগতেই চৰকাৰে ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব।

## পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰূপায়ণৰ প্ৰাতিষ্ঠানিক ব্যৱস্থাঃ

পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰ সমস্ত কাৰ্যাৱলী অসমৰ বানপানী আৰু নদী গ ৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ[FREMAA] ৰ প্ৰকল্প ব্যৱস্থাপনা গোট ৰ [PMU], এগৰাকী মুখ্য কাৰ্যবাহী বিষয়াৰ তত্বাৱধানত ৰূপা য়ণ কৰা হ'ব আৰু অসমৰ নদী অৱবাহিকা সু-সংহত্‌কৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম [AIRBMP]ৰ সকলো প্ৰকল্প কাৰ্য্যৰ সফল ৰূপায়ণৰ বাবে তেওঁ দায়ৱদ্ধ হ'ব। পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰূপায়ণ কৰাৰ বাবে অসমৰ বানপানী আৰু নদী গ ৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ [FREMAA] এ এটা বে-চৰকাৰী সংস্থাক সমন্বয়ক হিচাপে নিয়োগ কৰিব আৰু সেই সংস্থাটোৰে ৰাজহ বিভাগ আৰু জিলা প্ৰশাসনৰ লগত যোগাযোগ ৰক্ষা কৰাৰ উপৰিও প্ৰকল্প ৰূপায়ণ গোট [ PIU]ৰ সৈতে RPF অনুযায়ী পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP]ৰ নিয়মাৱলী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত লক্ষ্য ৰাখিব। প্ৰকল্প স্তৰত পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা যোজনা [ ESMP]ৰ প্ৰকল্প ৰূপায়ণৰ কাৰণে প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতা [PMTC]গোট আছে। কামৰ চুক্তি অনুযায়ী ক্ষেত্ৰ পৰ্যায়ত প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতা [ PMTC]ৰ নিৰ্দেশনা মতে পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা যোজনা[ESMP] ৰূপায়িত কৰিবলৈ ঠিকাদাৰজন দায়ৱদ্ধ থাকিব। পৰিকল্পনা অনুযায়ী প্ৰস্তাৱিত কাৰ্যাৱলী সঠিকভাবে পৰিচালিত হোৱাটো নিশ্চিত কৰিবলৈ সাময়িকভাবে পৰ্যবেক্ষণ কৰি থাকিব লাগিব। সামাজিক ব্যৱস্থাপনা যোজনা/পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [ESMP/RAP] ৰূপায়ণৰ ক্ষেত্ৰত নিৰীক্ষণ আৰু মূল্যায়ণ [M&E] সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ অন্য বাহ্যিক সংস্থা নিয়োগ কৰা হ'ব।

## অভিযোগ নিষ্পত্তিৰ প্ৰণালী

অভিযোগ নিষ্পত্তিৰ প্ৰণালী[GRM] দুটা পৰ্যায়ত নিৰূপিত হ'ব। যেনে –

১] প্ৰকল্প পৰ্যায়ত আৰু

২] জিলা পৰ্যায়ত জল সম্পদ বিভাগে [WRD] অংশীদাৰীসকলৰ অভিযোগসমূহ গ্ৰহণ হিতাধিকাৰীসকলক সম্বোধন কৰা তথা অসমৰ বানপানী আৰু নদী গৢৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ [FREMAA] ৰ আপীল সম্বন্ধীয় প্ৰাধিকাৰী পৰ্যায়ত।

প্ৰকল্প পযাৰ্য়ত অভিযোগ নিষ্পত্তি কমিটি [GRC] খনক জলসম্পদ বিভাগৰ এগৰাকী কাৰ্যবাহী অভিযন্তা, এগৰাকী সহঃ কাৰ্যবাহী অভিযন্তা , পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP] ৰূপায়ণৰ বাবে তত্বাৱধায়ক হিচাপে মনোনীত এগৰাকী চৰকাৰী বিষয়া আৰু দুগৰাকী স্থানীয় ৰাইজৰ (মহিলা) প্ৰতিনিধি থাকিব। অভিযোগ নিষ্পত্তি কমিটি[GRC]খনৰ প্ৰধান কাম হ'ব ভূমি অথবা সম্পত্তি অধিগ্ৰহণৰ ফলত হ'ব পৰা সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত প্ৰকল্প ক্ষতিগ্ৰস্ত লোকক [PAP] সহায় কৰা, আৰু তেওঁলোকৰ অভিযোগসমূহ নথিভুক্ত আৰু শ্ৰেণীভুক্ত কৰাৰ লগতে অগ্ৰাধিকাৰৰ ভিত্তিত অভিযোগসমূহ নিষ্পত্তি কৰা। উল্লেখযোগ্য যে, প্ৰকল্প স্তৰত অভিযোগসমূহ সমাধান নহ'লে সেইবোৰ জিলা পৰ্যায়ৰ অভিযোগ নিষ্পত্তি কমিটি[GRC]খনলৈ প্ৰেৰণ কৰা হ'ব আৰু তাতে সেইবোৰ সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব। যদি জিলা পৰ্যায়ৰ অভিযোগ

নিষ্পত্তি কমিটি[ GRC] থনো সেই সমস্যাসমূহ সমাধান কৰিবলৈ অপাৰগ হয় , তেতিয়াহ’লে সেই অভিযোগসমূহ অসমৰ বানপানী আৰু নদী গৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ[FREMAA]ৰ অন্তৰ্গত প্ৰকল্প ব্যৱস্থাপনা গোট[PMU]ৰ আপীল সম্বন্ধীয় প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰা হ’ব। এই প্ৰক্ৰিয়াৰ যিকোনো স্তৰতেই প্ৰকল্প ক্ষতিগ্ৰস্ত লোকৰ[ PAP] ভূমি অধিগ্ৰহণ আৰু যথোপযুক্ত আইনগত ব্যৱস্থা ৰ বাবে অভিযোগসমূহ উপযুক্ত প্ৰশাসনিক কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিবলৈ অধিকাৰ থাকিব।

## নিৰ্মাণ কাৰ্য্যৰ লগত সমন্বয়ঃ

নিৰ্মাণ কাৰ্য্যৰ সৈতে সংগতি ৰাখি পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা [RAP]ৰ পৰিক্ৰমাৰ কামসমূহো ৰূপায়িত কৰা হ’ব। ঠিকাদাৰে ‘কৰ্মসময়’ৰ আৰম্ভ হোৱাৰ লগে লগেই যিমান পাৰি সোনকালে পৰ্যাপ্ত পৰিমানে থকা চৰকাৰী ভূমি বিচাৰি কাম আৰম্ভ কৰিব লাগিব। নিবিদা প-পত্ৰ[Bid-Documents) অনুসৰি কাম আৰম্ভ কৰাৰ আগতে আপত্তিবিহীন ভূমিৰ হস্তান্তৰ কৰিব লাগিব আৰু তাৰ পৰৱৰ্তী সময়ছোৱাত অধি গ্ৰহণ কৰা ভূমিৰ হস্তান্তৰ সম্পন্ন কৰিব। প্ৰকল্প ৰূপা য়ণ গোটে [ PIU] আগভাগ লৈ এই ভূমি অধিগ্ৰহন প্ৰক্ৰিয়াটো যিমান সোনকালে পাৰি সমাপ্ত কৰিব লাগিব আৰু ঠিকাদাৰক কাম আৰম্ভ হোৱাৰ সময়ত আপত্তিবিহীন ভূমি হস্তান্তৰ কৰিব লাগিব যাতে ঠিকাদাৰে সময়মতে কাম আৰম্ভ কৰি কামৰ গতি ক্ষীপ্ৰ কৰি তুলিব পাৰে। প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতা [ PMTC]ই ভূমিৰ স্বত্ব গ্ৰহণ কৰাৰ আগতে আৰু ঠিকাদাৰক হস্তান্তৰ কৰাৰ পূৰ্বে ক্ষতিপূৰণ আদায় দিয়াৰ অৱস্থা প্ৰত্যায়িত কৰিব।

## বিত্তীয়নথি বা বাজেট (Budget)

ভূমিৰ বাবদ ক্ষতিপূৰণৰ উপৰিও স্থানান্তৰ হ’বলগীয়া হোৱা কাৰণেও ক্ষতিপূৰণ প্ৰদান ক ৰিব লগীয়া হোৱা ক্ষতিগ্ৰস্ত লোক ৰ বাবে ক্ষতিপূৰণৰ বাজেটৰ পৰিমাণ নিৰ্ধাৰিত পুনঃসংস্থাপনৰ মাপদণ্ডৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। এই বাজেটত প্ৰকল্প ক্ষতিগ্ৰস্ত লোক[ PAP]ৰ ভিতৰত দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে অতিৰিক্ত পুনৰ্বাসন সাহায্যৰ সুবিধাও ৰখা হৈছে। পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা[RAP] কাৰ্যকৰী কৰাৰ সময়ত হ’ব পৰা অপ্ৰত্যাশিত খৰছৰ বাবে পুনৰ্বাসন প্ৰক্ৰিয়াৰ মুঠ খৰছৰ ৫% শতাংশ ধন আকস্মিক শিতানত ধাৰ্য কৰা হৈছে। প্ৰস্তাৱিত পুনৰ্বাসন যোজনাৰ আয়-ব্যয়ৰ সৰ্বমুঠ ধনৰ পৰিমা ণ ৬৮.৯০ কোটি টকা। এই সমস্ত ধন ৰাশি অসমৰ বান আৰু নদী গৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ [FREMAA]ৰ অনুমোদনত ক্ৰমে ৰাজ্য চৰকাৰ ৰ পুঁজিৰ পৰা যোগান ধৰিব। ভূমি অধিগ্ৰহণ( LA )আৰু পুনঃসংস্থাপন আৰু পুনৰ্বাসন( R&R ) শিতানৰ খৰছৰ ধন সৰ্বমুঠ প্ৰকল্প ব্যয় ( Budget)ৰ এটি অংশ হ’ব আৰু অসম চৰকাৰে যোগান ধৰা পুঁজি পৰিপূৰক হ’ব।এই ক্ষেত্ৰত সামগ্ৰী ক্ৰয় আৰু বে-চৰকাৰী পৰামৰ্শদাতা সংস্থাসমূহৰ খৰচ, নিৰীক্ষণ আৰু মূল্যায়ণত( M&E )ব্যয় আদিৰ বাবে যদি প্ৰয়োজন হয় বিশ্ব বেংকৰ ঋণ উপলব্ধ হ’ব। এই ক্ষেত্ৰত প্ৰযোজিত বেংকৰ আহৰণ নিৰ্দেশাৱলী অনুসৰণ কৰিব লাগিব।

## প্ৰকাশ আৰু উন্নীতকৰণ

অসমৰ বানপানী আৰু নদী গ ৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ [FREMAA] এ প্ৰকল্প ক্ষতিগ্ৰস্ত লোক[PAP] আৰু অন্যান্য অংশীদাৰসকলক উপ-প্ৰকল্পটোৰ প্ৰভাৱৰ বিষয়ে অ ৱগত কৰাৰ উপৰিও তেওঁলোকৰ অধিকাৰ আৰু বিকল্প, আৰু উপ-প্ৰকল্পটোৰ বিকাশৰ কাৰণে তেওঁলোকৰ সক্ৰিয় সহযোগ বিচাৰিব। অংশীদৰীৰ নিয়োগ পৰিকল্পনা অনুযায়ী পুনঃসংস্থাপনৰ কাৰ্যপৰিকল্পনা[RAP]ৰ স্থানীয় ভাষাত লিখা সাৰাংশ, পুনঃসংস্থাপন আৰু পুনৰ্বাসন [R&R]ৰ বিভিন্ন সুবিধা লাভৰ বাবে যোগ্য প্ৰকল্প ক্ষতিগ্ৰস্ত পৰিয়াল[PAFs]ৰ তালিকা আৰু পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা[RAP]ৰ কাৰ্যকৰী ব্যৱস্থাৰ অগ্ৰগতিৰ খতিয়ান অংশীদাৰ নিয়োগ যোজনাৰ ( SEP) অনুসৰি প্ৰকাশ কৰা হ’ব।